# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-06-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাটোৰ অনুসন্ধান চলাই থকা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা এন আই এ-ই দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

২। অপাৰেশ্বন সিন্ধুৰ অধীনত বৰ্তমানলৈ এহেজাৰ ১১৭ গৰাকী ভাৰতীয় নাগৰিকক ইৰানৰ পৰা ওভতাই অনা হৈছে।

৩। ইৰানৰ পাৰমানৱিক প্ৰকল্পত আমেৰিকা যুক্তৰাষ্ট্ৰই আক্ৰমণ সংঘটিত কৰা ঘটনাক ইৰানে কঠোৰ ভাষাৰে গৰিহনা দিছে।

৪। আন্তৰাষ্ট্ৰীয় আনৱিক শক্তি সংস্থা IAEA ই ইৰানৰ পাৰমানৱিক প্ৰকল্পত আমেৰিকাৰ আক্ৰমণৰ ফলত কোনো ধৰণৰ বিপদজনক বিকীৰণ ঘটা নাই বুলি প্ৰকাশ কৰিছে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফীৰ প্ৰথমখন খেলত ঘৰুৱা দল ইংলেণ্ডে কালি প্ৰথম ইনিংছত সংগ্ৰহ কৰা ২০৯ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

০০০০

পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাটোৰ অনুসন্ধান চলাই থকা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা এন আই এ-ই দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। আক্ৰমণ সংঘটিত কৰা সন্ত্ৰাসবাদীক আশ্ৰয় দিয়াৰ অভিযোগত এই লোক দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। অনুসন্ধানকাৰী সংস্থাটোৱে এটা বিবৃতিত প্ৰকাশ কৰা মতে, বাটকোট অঞ্চলৰ বাসিন্দা পাৰভেজ আহমদ যোথাৰ আৰু পেহেলগামৰ হিল পাৰ্ক এলেকাৰ বাসিন্দা বছিৰ আহমদ যোথাৰ নামৰ ধৃত লোক দুজনে পেহেলগামৰ ঘটনাটোৰ সৈতে জড়িত ৩ জন সন্ত্ৰাসবাদীক চিনাক্ত কৰিছে। এই সন্ত্ৰাসবাদী কেইটা লস্কৰ ই তৈবা সৈতে জড়িত পাকিস্তানী নাগৰিক বুলি লোক দুজনে নিশ্চিত কৰাৰ বিষয়ে সংস্থাটোৱে জানিবলৈ দিয়ে। এন আই এ লগতে প্ৰকাশ কৰা মতে, পাৰভেজ আৰু বছিৰে জানি বুজিয়েই ৩ টা সশস্ত্ৰ সন্ত্ৰাসবাদীক হিল পাৰ্কৰ এটা জুপুৰীত আশ্ৰয় দিছিল। বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা এই লোক দুজনে সন্ত্ৰাসবাদী তিনিটাক খাদ্য যোগানকে ধৰি আশ্ৰয়ৰ সকলো ব্যৱস্থা কৰি দিছিল বুলিও সংস্থাটোৱে বিবৃতিযোগে প্ৰকাশ কৰিছে।

০০০০

অপাৰেশ্বন সিন্ধুৰ অধীনত বৰ্তমানলৈ এহেজাৰ ১১৭ গৰাকী ভাৰতীয় নাগৰিকক ইৰানৰ পৰা ওভতাই অনা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা জাৰি কৰা এটা বিবৃতিত এই কথা প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ইৰানৰ মাশ্বাদৰ পৰা যোৱা নিশা আহি নতুন দিল্লীত উপস্থিত হোৱা এখন বিশেষ বিমানেৰে ২৯০ গৰাকী লোকক স্বদেশলৈ ওভতাই অনা হয়।

০০০০

প্ৰতিৰক্ষা দপ্তৰৰ ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে কাইলৈৰ পৰা ২৬ জুনলৈ কেনিয়া আৰু মাদাগাস্কাৰ ভ্ৰমণ কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত তেওঁ কেনিয়ালৈ যাব আৰু তাইটা টাভেতা কাউণ্টিত যৌথভাৱে এটা স্মাৰক স্তম্ভ মুকলি কৰিব। দ্বিতীয় পৰ্যায়ত শ্ৰীশেঠে মাদাগাস্কাৰৰ ৬৫ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন আৰু মালাগাছি সশস্ত্ৰ বাহিনী গঠনৰ বছৰেকীয়া অনুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অহা ২৬ জুনত আণ্টানা নাৰিভোত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০

ইৰানৰ পাৰমানৱিক প্ৰকল্পত আমেৰিকা যুক্তৰাষ্ট্ৰই আক্ৰমণ সংঘটিত কৰা ঘটনাক ইৰানে কঠোৰ ভাষাৰে গৰিহনা দিছে। দেশখনে আমেৰিকাৰ এই কাৰ্যক আন্তৰাষ্ট্ৰীয় আইন আৰু ৰাষ্ট্ৰসংঘৰ চনদৰ উলংঘন বুলি অভিহিত কৰে। ইৰান বৈদেশিক মন্ত্ৰালয়ে এই ঘটনাক আগ্ৰাসনৰ চূড়ান্ত নিৰ্দেশন বুলি আখ্যা দি ইয়াৰ যিকোনো ধৰণৰ পৰিণতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই জগৰীয়া হ'ব বুলিও মত প্ৰকাশ কৰে। এই আক্ৰমণৰ ঘটনাটোৰ পাছত জাৰি কৰা এটা বিবৃতিত, আমেৰিকাই ইজৰাইলৰ সহযোগত গণসংহাৰমূলক পদক্ষেপ লোৱা বুলি ইৰানে মত প্ৰকাশ কৰে। আন্তৰাষ্ট্ৰীয় আনৱিক শক্তি সংস্থা IAEAৰ তত্বাৱধানেৰে পৰিচালিত পাৰমানৱিক প্ৰকল্পত এই আক্ৰমন সংঘটিত কৰা বুলি দেশখনে দাবী কৰে। ইৰান চৰকাৰে এই আক্ৰমণৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰক জবাবদিহি কৰাৰ লগতে আক্ৰমণৰ ঘটনাটোক গৰিহণা দিয়াৰ উদ্দেশ্যে এই সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ এখন জৰুৰী বৈঠক আহ্বান কৰাৰ বাবে ৰাষ্ট্ৰসংঘ ইয়াৰ নিৰাপত্তা পৰিষদ আৰু IAEA ক আহ্বান জায়। একে সময়তে আন্তৰাষ্ট্ৰীয় সম্প্ৰদায়ে এইক্ষেত্ৰত নিৰৱতা অৱলম্বন কৰিলে বিষয়টো আন্তৰাষ্ট্ৰীয় আইন আৰু কূটনীতিৰ দিশৰ পৰা এটা বিপদজনক নিদৰ্শন হিচাপে চিহ্নিত হব বুলিও ইৰানে সকিয়াই দিয়ে।

ইয়াৰ মাজতে ইৰানৰ পাৰমানৱিক প্ৰকল্পত আক্ৰমণ সংঘটিত কৰাৰ সিদ্ধান্তৰ বাবে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক অভিনন্দন জনাইছে। ইৰানৰ বিৰুদ্ধে আক্ৰমণ সংঘটিত কৰাৰ সিদ্ধান্তৰ বাবে ট্ৰাম্পক প্ৰশংসা কৰি প্ৰকাশ কৰা এটা ভিডিঅ'ত তেঁও কয় যে এই ঘটনাই ইতিহাস সলনি কৰিব। অপাৰেশ্বন ৰাইজিং লায়নৰ অধীনত ইজৰাইলে উল্লেখনীয় ঘটনা সংঘটিত কৰিছে বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ইৰানৰ ফৰ্দো, নাতাঞ্জ্ আৰু এছফাহানত অৱস্থিত পাৰমানৱিক প্ৰকল্পত ইজৰাইলৰ সৈতে চলোৱা এট যুটীয়া অভিযানৰ জৰিয়তে আক্ৰমণ সংঘটিত কৰা বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইতিপূৰ্বে ঘোষণা কৰিছে।

আনহাতে আন্তৰাষ্ট্ৰীয় আনৱিক শক্তি সংস্থা IAEA ই ইৰানৰ পাৰমানৱিক প্ৰকল্পত আমেৰিকাৰ আক্ৰমণৰ ফলত কোনো ধৰণৰ বিপদজনক বিকীৰণ ঘটা নাই বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত পাৰমানৱিক কাৰ্যকলাপ নিৰীক্ষণৰ দায়িত্বত থকা ৰাষ্ট্ৰসংঘৰ এই সংস্থাটোৱে, পাৰমানৱিক প্ৰকল্পৰ স্থানসমূহত

তেনেধৰণৰ বিকীৰণৰ কোনো ঘটনা বৰ্তমানলৈ সংঘটিত হোৱা নাই বুলি নিশ্চিত কৰি দিছে। এই সন্দৰ্ভত অধিক তথ্য সংগ্ৰহ কৰি থকা হৈছে বুলি উল্লেখ কৰি বিষয়টোত অধিক অনুসন্ধান চলাই থকা বুলি বিবৃতিটোত লগতে কোৱা হৈছে।

০০০০

ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষক কেন্দ্ৰ কৰি চলি থকা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ মাজতে ইজৰাইলী সেনাই ইৰানৰ ক্ষেপনাস্ত্ৰ নিক্ষেপনৰ স্থানত আজি নতুনকৈ আক্ৰমণ সংঘটিত কৰা বুলি দাবী কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই দেশখনৰ পাৰমানৱিক প্ৰকল্পত আক্ৰমণ সংঘটিত কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সময়তে পশ্চিম ইৰানৰ ক্ষেপনাস্ত্ৰ নিক্ষেপনৰ স্থানকে ধৰি দেশখনৰ একাধিক সামৰিক ঘাটিলৈ লক্ষ্য কৰি আক্ৰমণ সংঘটিত কৰা বুলি ইজৰাইলে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে কয়, যে পশ্চিম ইৰানত থকা কেইবাটাও সামৰিক ঘাটিলৈ লক্ষ্য কৰি বাহিনীটোৱে যুদ্ধ বিমানেৰে এলানি আক্ৰমণ সংঘটিত কৰে। ইজৰাইলৈ লক্ষ্য কৰি নিক্ষেপ কৰিবলৈ সাজু কৰা ইৰানৰ ক্ষেপনাস্ত্ৰৰ লগতে ইৰানৰ সশস্ত্ৰ বাহিনীৰ একাধিক ঘাটিক এই আক্ৰমণে ক্ষতিগ্ৰস্ত কৰা বুলিও ইজৰাইলী বাহিনীয়ে প্ৰকাশ কৰিছে।

০০০০

বাংলাদেশ-চীন আৰু পাকিস্তানে যোৱা বৃহস্পতিবাৰে কুনমিঙত নৰম চীন-দক্ষিণ এছিয়া প্ৰদৰ্শনী আৰু ষষ্ঠ চীন-দক্ষিণ এছিয়া সহযোগিতা বৈঠকৰ অৱসৰত এখন অনানুষ্ঠানিক বৈঠকত অংশগ্ৰহণ কৰে। বাংলাদেশৰ বিদেশ মন্ত্ৰালয়ে যোৱা নিশা জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি এই বৈঠকত বাংলাদেশৰ প্ৰাক্তন কাৰ্যবাহী বিদেশ সচিব মহম্মদ ৰাহুল আলম চিদ্দিকি, চীনৰ উপ বিদেশ মন্ত্ৰী চান ৱেদং আৰু পাকিস্তানৰ অতিৰিক্ত বিদেশ সচিব ইমৰান আহমদ চিদ্দিকীয়ে নিজ নিজ প্ৰতিনিধিমণ্ডলক নেতৃত্ব দিয়ে। বৈঠকত তিনিও পক্ষই পাৰস্পৰিক বিশ্বাস আৰু বুজাবুজিৰ আধাৰত অঞ্চলটোৰ শান্তি সমৃদ্ধি আৰু স্থিৰতাৰ উদ্দেশ্যে ত্ৰিপাক্ষিক সহযোগিতাৰ সম্ভাৱনা সন্দৰ্ভত মত বিনিময় কৰে। তেঁওলোকে আন্তগাথনি যোগাযোগ, বাণিজ্য, বিনিয়োগ, কৃষি, স্বাস্থ্য যতন, সামুদ্ৰিক পৰিক্ৰমা, জলবায়ু পৰিৱৰ্তনকে ধৰি ঘণিষ্ঠ সহযোগিতাৰ প্ৰয়োজন থকা আন কেতবোৰ খণ্ডও চিনাক্ত কৰে। তিনিও পক্ষই ভাল সম্পৰ্কৰ প্ৰতিবেশী ৰাষ্ট্ৰ, মুকলি মনোভাৱ আৰু অন্তৰ্ভুক্তিকৰণৰ দৰে নীতিৰ জৰিয়তে সহযোগিতা বৰ্তাই ৰখাৰ হকে সহমত প্ৰকাশ কৰে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল ইংলেণ্ডে কালি প্ৰথম ইনিংছত ৩ টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২০৯ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। কালি দ্বিতীয় দিনৰ খেলৰ সমাপ্তিত ইংলেণ্ডৰ অলি প'পে ১০০ ৰান কৰি অপৰাজিত হৈ থকাৰ লগতে হেৰি ব্ৰুকে এটাও ৰান নকৰাকৈ খেলি আছিল। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা উইকেট দখল কৰে।

ইয়াৰ আগেয়ে ভাৰতে প্ৰথম দিনা সংগ্ৰহ কৰা ৩৫৯ ৰানৰ পৰা কালি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰি ৪৭১ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰা ভাৰতে অপেনাৰ য়শস্বী জয়ছোৱাল, অধিনায়ক শুভমন গীল আৰু উপ-অধিনায়ক ঋষভ পণ্টৰ আকৰ্ষনীয় শতকৰ সহায়ত খেলখনত আধিপত্য বিস্তাৰ

কৰিবলৈ সমৰ্থ হয় যদিও ঘৰুৱা দল ইংলেণ্ডে পৰৱৰ্তী সময়ত কম সময়তে উইকেট দখল কৰি আলহী দলটোক অনুসৰণ কৰিব পৰা স্কোৰত সীমিত ৰাখে। ঋষভ পণ্টে শতকেৰে এম এছ্ ধোনীক চেৰ পেলাই টেষ্ট ক্ৰকেটৰ ইতিহাসত সৰ্বাধিক শতক অৰ্জন কৰা ভাৰতীয় উইকেট কীপাৰ ৰূপে পৰিগণিত হয়। ঋষভ পণ্টে বৰ্তমানলৈকে ৭টা শতক অৰ্জন কৰিছে। ইংলেণ্ডৰ হৈ বেন ষ্ট'কছ্ আৰু জোছ্ টাঙে ৪ টাকৈ উইকেট দখল কৰে।

ooooo

ভাৰত আৰু শ্ৰীলংকাত হবলগীয়া ২০২৬ চনৰ আই চি চি পুৰুষৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কানাডাৰ অংশগ্ৰহণ নিশ্চিত হৈছে। আমেৰিকা কোৱালিফায়াৰ প্ৰতিযোগিতাত বাহামাজৰ বিৰুদ্ধে জয়লাভ কৰি একেৰাহে পঞ্চমখন খেলত বিজয় সাব্যস্ত কৰাৰ জৰিয়তে কানাডাই বিশ্বকাপ প্ৰতিযোগিতাৰ বাবে নিজৰ স্থান নিশ্চিত কৰে। মাত্ৰ ৫৭ ৰানতে বাহামাজক ক্ৰিজৰ পৰা বিদায় দিবলৈ সমৰ্থ হোৱা কানাডাই কুৰিটা দলে অংশগ্ৰহণ কৰিবলগীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ত্ৰয়োদশ দল হিচাপে স্থান লাভ কৰিছে। আয়োজক দেশ ভাৰত আৰু শ্ৰীলংকাৰ লগতে বৰ্তমানলৈ প্ৰতিযোগিতাত অংশগ্ৰহণৰ স্থান নিশ্চিত হোৱা আন দলকেইটা হ'ল - আফগানিস্তান, অষ্ট্ৰেলিয়া, বাংলাদেশ, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা, আমেৰিকা যুক্তৰাষ্ট্ৰ, ৱেষ্ট ইণ্ডিজ, আয়াৰলেণ্ড, নিউজিলেণ্ড আৰু পাকিস্তান। চলিত বৰ্ষৰ শেষৰ ফালে হবলগীয়া আঞ্চলিক পৰ্যায়ৰ কোৱালিফায়াৰ প্ৰতিযোগিতাৰ জৰিয়তে ইয়াত অংশগ্ৰহণ কৰিবলগীয়া আন ৭ টা দলক নিৰ্বাচন কৰা হ'ব। এই দলসমূহৰ ভিতৰত ইউৰোপ আৰু আফ্ৰিকাৰ পৰা দুটাকৈ আৰু এছিয়া-পূৰ্ এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ পৰা ৩ টা দলে স্থান লাভ কৰিব।

oooo

সমাপ্ত